# ষষ্ঠ অধ্যায়

## ৬.০ বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা আৰু বৈষ্ণৱ পদাৱলীৰ আৰ্হিত ৰচিত সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ ৰেঙণি

### ৬.১ 'অতীতৰ ৰিং' আৰু ইয়াত প্ৰকাশিত স্বদেশপ্ৰেম ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্যতম এক সাহিত্য কৃতি হৈছে 'অতীতৰ ৰিং'। 'অতীতৰ ৰিং' বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা। অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত মাহেকীয়া আলোচনী 'প্ৰকাশ'ত ১৯৮৭ চনৰ আগষ্ট মাহৰ পৰা চোৱা-চোৱাকৈ বৰুৱাৰ 'অতীতৰ ৰিং' প্ৰকাশ হৈছিল। অৱশ্যে বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা 'অতীতৰ ৰিং' বিভিন্ন কাৰণত[১] অসম্পূৰ্ণ হৈ ৰয়। পৰৱৰ্তী সময়ত কিছু নতুন তথ্য[২] সংযোগ কৰি মুঠ আঠোটা অধ্যায়ত ২০১১ চনত গ্ৰন্থ ৰূপত 'অতীতৰ ৰিং' প্ৰকাশ হয়। 'অতীতৰ ৰিং' বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন কথাৰ প্ৰথম অংশ। কুৰি শতিকাৰ প্ৰথম তিনিটা দশকৰ অসমীয়া সামাজিক জীৱনৰ সাক্ষীস্বৰূপ এই ৰচনাত বৰুৱাৰ জন্ম-বৃত্তান্তৰপৰা উচ্চ শিক্ষাৰ বাবে কলিকতা যাত্ৰা আৰু শিক্ষা গ্ৰহণ — এই সময়চোৱাৰ বৰ্ণনা সন্নিৱিষ্ট হৈ আছে।

---

১। "বাৰ্ধক্যজনিত কাৰণ আৰু বিশেষকৈ তেখেতৰ টীয়কৰ বাসভৱন 'অচ্যুত ভৱন'ত সোমোৱা আবতৰীয়া বানপানীত বহুবোৰ সমল নষ্ট" অতীতৰ ৰিং অসম্পূৰ্ণ হোৱাৰ মূল কাৰণ।"
— সুনীল পৱন বৰুৱা, পাতনি, অতীতৰ ৰিং, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৬১

২। "অষ্টম অধ্যায়টিত পূৰ্বে প্ৰকাশিত নোহোৱা পিছত সংগৃহিত কিছু কথা সংযোগ কৰাৰ উপৰিও এটি বিশেষ সাক্ষাৎকাৰ আৰু পৰিশিষ্টত লেখকৰ জীৱন পঞ্জী সংযোগেৰে সম্পূৰ্ণ কৰা হয়।" — উল্লিখিত

'অতীতৰ ৰিং' বিনন্দ চন্দ্ৰ বৰুৱাৰ অতীত জীৱনৰ সোঁৱৰণি। বৰুৱাৰ অন্যান্য ৰচনা নাটক, কবিতা, প্ৰবন্ধ আদিৰ দৰে এই ৰচনাত অতি সুস্পষ্টৰূপত স্বদেশপ্ৰেমৰ প্ৰকাশ দেখিবলৈ পোৱা নাযায়। যদিও তাৰ ৰেঙণি যিকোনো দিশেতে স্পষ্ট হৈ আছে। অন্যহাতে বিনন্দ চন্দ্ৰ বৰুৱা আঞ্চলিক চেতনাৰে উদ্বুদ্ধ হৈ প্ৰাদেশিকতাৰ মাজেদি সৰ্বভাৰতীয় জাতীয় চেতনাৰ প্ৰতিভূ। বৰুৱাৰ ৰচনাৰাজিৰ মূল বিষয়বস্তুৱেই হৈছে স্বদেশপ্ৰেম। স্বদেশপ্ৰেম সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱনত আহৃত সবাতোকৈ ডাঙৰ সম্পদ। সেই সম্পদেই বৰুৱাৰ সাহিত্যৰ মূল আধাৰ। স্বজাতিৰ হৃদয়ত জাতীয় চেতনা জাগৃত কৰা বৰুৱাৰ সাহিত্যৰাজি সেয়ে অসমীয়া জাতিৰ জাতীয় সম্পদ। 'অতীতৰ ৰিং' এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। বৰ্ণিত কাহিনীৰ আঁত ধৰি 'অতীতৰ ৰিং'ত এইক্ষেত্ৰত তলত উল্লেখ কৰা দিশকেইটাক স্বদেশপ্ৰেমৰ দৃষ্টিৰে বিচাৰ কৰিব পাৰি। বিশেষকৈ বিনন্দ চন্দ্ৰ বৰুৱাৰ জন্মভূমি 'টীয়ক', কৰ্মভূমি 'জাঁজী' অঞ্চলক কেন্দ্ৰ কৰি কৰা বৰ্ণনা আৰু যোৰহাট, মৰিয়নি, গুৱাহাটীৰ ছাত্ৰ জীৱন আৰু বিবিধ কৰ্মৰাজিৰ বৰ্ণনাৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাৰ 'অতীতৰ ৰিং'ত প্ৰকাশিত হৈছে স্বদেশপ্ৰেম।

### ৬.১.১ অতীতৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ বা অতীত প্ৰশস্তি ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা 'অতীতৰ ৰিং'ৰ মূল সুৰটি হৈছে অতীত সোঁৱৰণ বা অতীত প্ৰশস্তি। 'অতীতৰ ৰিং' লেখকৰ সোঁৱৰণিত প্ৰাণ পোৱা অতীত জীৱনৰ বলিষ্ঠ চাপৰ প্ৰকাশ। আত্মজীৱনীমূলক ৰচনা 'অতীতৰ ৰিং'ত প্ৰকাশিত হৈছে বৰুৱাৰ সমসাময়িক সমাজৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক আৰু যাতায়ত ব্যৱস্থা ইত্যাদি। দিশবিলাকৰ যি পানী নসৰকা বৰ্ণনা সেয়া নিতান্তই বৰুৱাৰ স্বদেশপ্ৰেমৰ নিদৰ্শন। বিনন্দ চন্দ্ৰ বৰুৱাৰ চেতনাত জন্মস্থান টীয়ক 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ সংস্কৰণ'।[৩] টীয়ক অঞ্চলৰ ভৌগোলিক সীমাৰেখা[৪]ৰ বৰ্ণনাৰে আৰম্ভ 'অতীতৰ ৰিং'ত সঞ্চিত হৈ আছে

৩। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৬৩
৪। উল্লিখিত

টীয়ক অঞ্চলৰ বুৰঞ্জী। লেখকৰ ৰচনাত প্ৰকাশিত সমলবিলাকে জাতীয় বুৰঞ্জীত টীয়কক এক জীৱন্ত সাক্ষী কৰি ৰাখিছে। নিজ জন্মভূমিৰ প্ৰতি প্ৰকাশ পোৱা গভীৰ আনুগত্য স্বদেশপ্ৰেমৰ বলিষ্ঠ প্ৰকাশ। টীয়কৰ উপৰিও 'অতীতৰ ৰিং'ত বৰুৱাৰ ছাত্ৰ জীৱনৰ লগত সাঙোৰ খাই থকা সেই সময়ৰ যোৰহাটৰ সাংস্কৃতিক পৰিমণ্ডলৰ সোঁৱৰণিমূলক বৰ্ণনা এনেধৰণৰ—

> থিয়েটাৰ সংক্ৰান্তত সেই সময়ত আমি ঁসাৰদা বৰদলৈ, পুস্প সিংহ আদিৰ নাম শুনা মনত পৰে। থিয়েটাৰ ঘৰ বৰ্তমান ঠাইলৈ অহাৰ পিছত ... তাৰ ভিতৰত সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা, যোৰহাটৰ উকীল আৰু হাকিম ঁকনক চন্দ্ৰ গগৈ (গণেশ গগৈৰ পিতৃ), ঁকীৰ্তিনাথ বৰদলৈ, ঁমিত্ৰদেৱ মহন্ত, ঁমথুৰা বৰুৱা (মেলেং), মথুৰা বৰুৱা (যোৰহাট), ঁগোপাল গোস্বামী, ঁইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ঁহৰিহৰ বৰপূজাৰী আদিৰ কথা মনত পৰে।[৫]

আধুনিক মৰিয়নিৰ ৰেহ-ৰূপ[৬] আৰু কটন কলেজৰ শিক্ষক আৰু শিক্ষা জীৱনৰ পৰম প্ৰাপ্তিকো সশ্ৰদ্ধ ভাবেৰে সোঁৱৰণ কৰা কাৰ্য স্বদেশপ্ৰেমৰ অন্যতম প্ৰকাশ। কটন কলেজৰ শিক্ষকৰপৰা লাভ কৰা স্বদেশ চেতনাৰ প্ৰকাশ এনেধৰণৰ—

> বুৰঞ্জীৰ সৰবৰাহী অধ্যাপক থুলন্তৰ ভুবন মোহন সেন ডেকা মানুহ। . . . তেখেত বোলে বঙ্গদেশৰ স্বদেশী আন্দোলনৰ সময়ত স্বেচ্ছাসেৱক আছিল . . .। এদিন কথা প্ৰসংগত ডাঙৰ মানুহৰ নামত প্ৰতিষ্ঠিত হোৱা মেলাবিলাকৰ বিষয়ে আলোচনা কৰি অসমতো তেনে ধৰণৰ সোঁৱৰণি মেলা পাতি লাচিত বৰফুকনৰ নিচিনা দেশপ্ৰাণ বীৰৰ নাম সোঁৱৰি থাকিবলৈ উপায় কৰিব পাৰিলে ভাল হয় বুলি কৈছিল। . . . তেখেতৰ উপদেশকে সুঁৱৰি আমি জনচেৰেকে জাঁজীৰে জামুগুৰি চাপৰিত ১৯৩০ চনৰপৰা লাচিত মেলা পাতিছিলোঁ।[৭]

৫। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮০৩
৬। অতীতৰ ৰিং, তৃতীয় অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৯৬-৭৯৭
৭। অতীতৰ ৰিং, ষষ্ঠ অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৫২

অন্যহাতে লক্ষ্মীনাথ বেজবৰুৱাৰপৰা ছাত্ৰাৱস্থাতে লাভ কৰিছিল পৰম আশীৰ্বাদ। পৰৱৰ্তী সাহিত্য চৰ্চা আৰু সাহিত্যৰ সনাতন সত্যৰ উপলব্ধি, যিয়ে বৰুৱাৰ সাহিত্যক স্থায়ী আৰু মহৎ কৰি ৰাখিছে সেই পৰম প্ৰাপ্তিৰ স্বীকাৰ উল্লেখ 'অতীতৰ ৰিং'ত আছে। পৰৱৰ্তী স্বদেশপ্ৰেমমূলক কামৰ প্ৰেৰণাৰূপে ওৰে জীৱন ক্ৰিয়া কৰিছিল। বেজবৰুৱাৰ প্ৰসংগত উল্লেখ আছে এনেদৰে—

> গুৱাহাটীত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে সাহিত্যিকসকলক সম্বৰ্দ্ধনা জনাবলৈ জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত 'বাজ বীণ' কবিতা পাঠ কৰাব পিছত লক্ষ্মীনাথ বেজবৰুৱাই (ককা) মাতি নি পিঠিত চপৰিয়াই 'নাতি' বুলি কৈ মৰম আৰু আশীৰ্বাদ প্ৰদান কৰা কাৰ্যক। পৰৱৰ্তী সাহিত্য চৰ্চাৰ অনুপ্ৰেৰণা বুলি উল্লেখ কৰিছে।[৮]

টীয়ক অঞ্চলৰ শৈক্ষিক জগতৰ ক্ৰমোন্নতি আৰু চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালত বিনন্দ চন্দ্ৰ বৰুৱাই আগবঢ়োৱা অৱদান এনেধৰণৰ—

> টীয়কৰ আমলখি চাপৰিৰ এশ বিঘাতকৈ অধিক মাটি লৈ স্বনামধন্য উদ্যোগী পুৰুষ স্বৰ্গীয় চন্দ্ৰকমল বেজবৰুৱাৰ নামত আৰু তেখেতৰ পুত্ৰসকলৰ দানত যি মহাবিদ্যালয়, এটা আহল-বহল অঞ্চলৰ বাবে প্ৰতিষ্ঠা কৰা হৈছিল, তাত এই অভাজনক উদ্যোগক্তাসকলে ডেকা তেজৰ মানুহ বুলি প্ৰথম বছৰৰপৰাই পৰিচালনা সমিতিৰ সভাপতি কৰি থৈছিল।... ১৯৫৯ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে আৰম্ভ হোৱা কলেজৰ প্ৰথম পৰিচালনা সমিতিৰ সভাপতি এই লেখকৰো সিমান বয়সেই হৈছিল। কলেজত প্ৰথম দিনা নাম লগোৱা ছাত্ৰৰ সংখ্যাও ঊনযাঠি আছিল। অনুষ্ঠানৰ উদ্যোক্তাসকলৰ লেখতল'বলগীয়া অন্যতম উদ্যোক্তা ঊনযাঠি বছৰীয়া ইন্দ্ৰেশ্বৰ চক্ৰৱৰ্তীয়ে নিজৰ নামটো লগাই প্ৰথম দিনাৰ ছাত্ৰৰ সংখ্যা যাঠি কৰিলে। [৯]

৮। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৫৬
৯। উল্লিখিত, পৃ. ৮২২

বৰুৱাৰ 'অতীতৰ ৰিং'ত জিলিকি আছে দেশসেৱাৰ অন্যতম এক অৱলম্বন অসম ছাত্ৰ সন্মিলন। অসম ছাত্ৰ সন্মিলনৰ প্ৰথমখন ছাত্ৰ সভা আছিল টীয়ক ছাত্ৰ সন্মিলন। ১৯১৭ চনত বিনন্দ চন্দ্ৰ বৰুৱাই দুৰ্গেশ্বৰ শৰ্মাৰ সৈতে লগ হৈ এই অনুষ্ঠানৰ জন্ম দিছিল। এই সম্পৰ্কে বৰুৱাৰ মত এনেধৰণৰ—

> মই টীয়ক শাখা সভা পাতিবলৈ থিৰ কৰি দুৰ্গেশ্বৰ শৰ্মাৰ লগ লওঁ। আমি ১৯১৭ চনত টীয়ক ছাত্ৰ সন্মিলনৰ যুটীয়া আহ্বায়ক হিচাপে কাম আৰম্ভ কৰোঁ, টীয়ক ছাত্ৰ সন্মিলনেই অসম ছাত্ৰ সন্মিলনৰ প্ৰথম শাখা সভা।[১০]

অসমৰ সমাজ জীৱনৰ উন্নতিমূলক কামত বৰঙণি আগবঢ়োৱা বহুজন অসম ছাত্ৰ সন্মিলনৰ সদস্য আছিল। ছাত্ৰ সন্মিলনে দেশপ্ৰেমিকৰ জন্ম দিছিল। সেইকথা 'বৰুৱাৰ অতীতৰ ৰিং'ত উল্লেখ আছে এনেধৰণে—

> ১৯১৭ চনত যোৰহাটত বহা অসম ছাত্ৰ সন্মিলনৰ দ্বিতীয় বাৰ্ষিত অধিৱেশন পুৰণি কাছাৰী ঘৰটোত বহিছিল। সভাপতি আছিল অসমৰ জনপ্ৰিয় হিতাকাঙ্খী 'কমিছনাৰ' পি. আৰ. টি. গৰ্ডন। আমি তেতিয়া যোৰহাট হাইস্কুলত পঢ়ি আছিলোঁ, আমাৰ টীয়কৰ মই আৰু দুৰ্গেশ্বৰ শৰ্মা সভালৈ গৈ আদিৰ পৰা অন্তলৈকে বহি আছিলোঁ। পিছত যিসকল ডেকাই অসমৰ সকলো উন্নতিমূলক কাম আৰু অনুষ্ঠানত যোগ দি দেশসেৱা কৰিছিল, সেইসকলে ছাত্ৰ সন্মিলনৰ নেতৃস্থানীয় সভ্য হিচাৱে সভাৰ কাৰ্য পৰিচালনা কৰিছিল। গৰ্ডন চাহাবে অসমীয়াতে সভাপতিৰ ভাষণ দিছিল। ... উদ্যোক্তাসকলে সভালৈ পাগুৰি মাৰি আহিছিল।[১১]

অসম সাহিত্য সভাৰ টীয়ক শাখা সাহিত্য সভা গঠনৰ ক্ষেত্ৰতো বৰুৱাৰ অৱদান স্মৰণীয়। এনে ঐতিহাসিক সমলসমূহ বৰুৱাৰ 'অতীতৰ ৰিং'ত প্ৰকাশিত স্বদেশপ্ৰেমৰে নিদৰ্শন।

### ৬.১.২ বিশিষ্টজনক স্মৰণ ঃ

---

১০। উল্লিখিত, পৃ. ৭৯৯

১১। উল্লিখিত

বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা ‘অতীতৰ ৰিং’ৰ কাহিনীবস্তুৰ বিৱৰণ প্ৰসংগত বিশিষ্টজনৰ স্মৰণ আৰু প্ৰকাৰান্তৰে বন্দন দেখিবলৈ পোৱা যায়। ‘অতীতৰ ৰিং’ত বৰ্ণিত সমসাময়িক সমাজৰ বিভিন্ন দিশত অৰিহণা আগবঢ়োৱা বৰেণ্যজনৰ সশ্ৰদ্ধ সোঁৱৰণ স্বদেশপ্ৰেমৰ অন্যতম প্ৰকাশ। বৰুৱাৰ পূৰ্বপুৰুষৰ টীয়কীয় অধ্যাপকৰ উল্লেখৰ উপৰিও জন্মস্থান ‘টীয়ক’ক আধুনিক ৰূপত গঢ় দিওঁতাসকলৰ অন্যতম শিক্ষাবিদ ‘লীলাৰাম শৰ্মা বৰুৱা’, ‘গোলাপ চন্দ্ৰ মিশ্ৰ’, ‘চন্দ্ৰনাথ বৰপূজাৰী’, ভ্ৰমৰ চন্দ্ৰ শইকীয়া, বৰদৈচিলাৰ সম্পাদক ‘কমল চন্দ্ৰ বৰুৱা’, মৌজাদাৰ পণ্ডিত ‘তুলসীনাৰায়ণ শৰ্মা’, বকুলবনৰ কবি ‘আনন্দ চন্দ্ৰ বৰুৱা’, সাহিত্যিক ‘যতীন্দ্ৰনাথ গোস্বামী’, জ্ঞানপীঠ বঁটা বিজয়ী ‘বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য’ ইত্যাদি। সাহিত্যিক বেণুধৰ শৰ্মাৰ পূৰ্বপুৰুষৰ জন্মস্থন হ’ল টীয়ক। অন্যহাতে ৰত্নকান্ত বৰকাকতি, কৃষ্ণকান্ত সন্দিকৈ, ‘গোবিন্দ চন্দ্ৰ বেজবৰুৱা’, ‘ডিম্বেশ্বৰ নেওগ’, ‘মহেশ্বৰ নেওগ’, ‘মাণিক চন্দ্ৰ বৰুৱা’, ৰাধাকান্ত সন্দিকৈৰ উপৰিও ‘দেশভক্ত তৰুণৰাম ফুকন’, ‘কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ’, ঋষি তুল্য ‘জ্ঞানদাভিৰাম বৰুৱা’, ‘কামাখ্যাৰাম বৰুৱা’, ‘গৌৰিকান্ত তালুকদাৰ’, ‘সিদ্ধিৰাম শৰ্মা’, ‘মৌলানা তৈয়বউল্লা’, ‘অম্বিকাগিৰী ৰায়চৌধুৰী’ আদি বহু বৰণীয় ব্যক্তিৰ সান্নিধ্যৰ স্মৰণে[১২] বৰুৱাৰ স্বদেশৰ শুভশক্তিৰ বন্দনাৰ সাক্ষ্য দাঙি ধৰে।

কটন মহাবিদ্যালয়ত ছাত্ৰ জীৱনৰ গুৰু প্ৰিন্সিপাল ‘এফ ডব্লিউ চুডৰ্মাচন’, ‘আৰ্থাৰ ব্ৰাউন’, ‘আশুতোষ চাটাৰ্জি’, ‘ভুৱন মোহন সেন ডেকা’ ইত্যাদি প্ৰসিদ্ধ শিক্ষকৰ সান্নিধ্য আৰু প্ৰেৰণাৰ[১৩] কথা শ্ৰদ্ধাৰে কৰা সোঁৱৰণ এইক্ষেত্ৰত উল্লেখযোগ্য।

তাৰ উপৰিও সম্প্ৰতি প্ৰচলিত ‘টীয়ক’ বানানটিৰ সৰ্বজন গ্ৰহণযোগ্য আৰু শুদ্ধ তথা স্থিৰ ৰূপ প্ৰদানত হিতেশ্বৰ বৰবৰুৱাৰ অৱদান নতশিৰে স্বীকাৰ কৰা কাৰ্য স্বদেশপ্ৰেমৰ নামান্তৰ।

> স্বনামধন্য সাহিত্যিক হিতেশ্বৰ বৰবৰুৱাই টীয়কৰ অৰ্থ দুগ্ধজাত সামগ্ৰীৰ অৰ্থাৎ ঘিউঁৰ ঠাই বুলি কৈছিল। বৰ্তমান টীয়কৰ বানানটো তেখেতে ঠিক কৰি দিয়া প্ৰায় তিনি কুৰি

১২। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৪৮
১৩। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৫০-৮৫২

> বছৰেই হ'ল। তেখেত ছাত্ৰ সন্মিলনৰ সভাপতি হৈ আহোঁতে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক পূৰ্ণানন্দ পাঠক, পিছৰ বৰদৈচিলাৰ প্ৰতিষ্ঠাপক সম্পাদক ঁকমল চন্দ্ৰ বৰুৱাৰ আৰু শিক্ষাবিদ গীতিকবি ঁলক্ষেশ্বৰ শৰ্মা বৰুৱাৰ অনুৰোধক্ৰমে, তেখেতসকলৰ সৈতে আলোচনা কৰি বৰ্তমান চলা 'টীয়ক' বানানটো থিৰ কৰি দিয়ে। ... । আগেয়ে 'তিয়ক', 'তিঅক', 'টিয়েক', 'টিয়ক' যেয়ে যেনেকৈ পায় সেইদৰে লিখিছিল।[১৪]

'টীয়ক' শব্দৰ অৰ্থ 'দুগ্ধজাত সামগ্ৰী' অৰ্থাৎ 'ঘিউৰ ঠাই'[১৫] বুলি নিৰ্ণয় কৰা কাৰ্য্যত হিতেশ্বৰ বৰবৰুৱাৰ অৱদান স্মৰণ, ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন স্বদেশপ্ৰেমৰ সুন্দৰ উদাহৰণ।

## ৬.১.৩ ঠাইৰ নামৰ ঐতিহ্য বিচাৰ ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা 'অতীতৰ ৰিং'ত দেখিবলৈ পোৱা ঠাইৰ নামৰ ঐতিহ্য বিচাৰ অন্যতম এক বৈশিষ্ট্য। নিজ জন্মস্থানৰ চৌপাশৰ বিভিন্ন ঠাইৰ ঐতিহাসিক গুৰুত্ব বিচাৰ আৰু পৰৱৰ্তী প্ৰজন্মৰ বাবে তথ্য আহৰণৰ উৎসৰূপে সংস্থাপিত 'অতীতৰ ৰিং' এক মহৎ কৰ্মৰ সাক্ষী। লেখকৰ স্বদেশপ্ৰীতিৰ অন্যতম উদাহৰণ ৰূপে জিলিকি আছে — জাঁজী 'ফুলপাণি ছিগা'ৰ আঁতি গুৰি বিচাৰ — "মানৰ দিনৰ বিখ্যাত যোদ্ধা শূলপাণি বৰুৱাৰ নামেই ফুলপাণি ছিগা। মানুহৰ মুখত পৰি কিদৰে ফুলপাণি, ফুলপানী হ'ল তাৰ বৰ্ণনা আৰু 'শুলপাণি'- 'ফুলপানী' নহৈ 'ফুলপাণি' হোৱাৰ সপক্ষে মত প্ৰকাশ।[১৬] ঠিক তেনেদৰে জগদুৱাৰ, বনমালি ছিগা, জাঁজীমুখ, ৰজাবাৰী[১৭] আদি বুৰঞ্জীয়ে গৰকা টীয়ক অঞ্চলৰ বিভিন্ন ঠাইৰ নামৰ আঁতি-গুৰি বিচাৰে বৰুৱাৰ সাহিত্যত জন্মভূমিৰ প্ৰতি ভালপোৱাৰ নিদৰ্শন দাঙি ধৰিছে।

---

১৪। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৬৩

১৫। উল্লিখিত

১৬। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৬০

১৭। অতীতৰ ৰিং, দ্বিতীয় অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৭৩

### ৬.১.৪ লোক-সংস্কৃতিৰ সমল প্ৰয়োগত স্বদেশপ্ৰেমৰ প্ৰকাশ ঃ

'অতীতৰ ৰিং'ত প্ৰতিফলিত লোক সমাজৰ অনেক ছবিয়েও বৰুৱাৰ লোকসমাজৰ প্ৰতি আদৰ-যতনকে প্ৰকট কৰি তুলিছে। লোক-সংস্কৃতি হৈছে সকলো উন্নত সংস্কৃতিৰ মূল ভেটি। লোক-সংস্কৃতি চৰ্চা, গৱেষণা, প্ৰচাৰ-প্ৰসাৰ, সংৰক্ষণ আৰু সংবৰ্দ্ধন সকলো উন্নত তথা সভ্য জাতিৰে লক্ষণ। সাম্প্ৰতিক সময়ত লোক-সংস্কৃতি চৰ্চাই এক গুৰুত্বপূৰ্ণ তথা সুকীয়া মাত্ৰা লাভ কৰিছে। সেয়ে বৰুৱাৰ 'অতীতৰ ৰিং' গ্ৰন্থত সংৰক্ষণ হৈ থকা লোক-সংস্কৃতিৰ আধাৰস্বৰূপ বিবিধ সমল অত্যন্ত গুৰুত্বপূৰ্ণ। গোপিনী সবাহৰ ৰীতি-নীতি[১৮], সন্তান প্ৰসৱকালীন বিধি ব্যৱস্থা[১৯] উল্লেখেৰে অসমৰ গ্ৰাম্য সমাজত নাৰীকেন্দ্ৰিক অনুষ্ঠানৰ এখনি ছবি ডাঙি ধৰিছে। সমাজৰ প্ৰতিটো দিশৰ লগত বৰুৱাৰ আছিল গভীৰ একাত্মতা। এনে একাত্মতাই বৰুৱাক যিদৰে স্বদেশপ্ৰেমী কৰি গঢ় দিছিল, ঠিক তেনেদৰে বৰুৱাৰ সাহিত্যত সেই দিশসমূহৰ প্ৰতিফলনে স্বদেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে।

মিছামিছি দোকান দিয়া, ধূলিৰে ঘৰ সজা, গছকুমটি খেলা, কুকুভা, লুকালুকি খেলা,[২০] বৰমহী, থোকা, থুহা, চেপা, গালফলা আদি বিবিধ মাছ ধৰা সজুঁলিৰ উল্লেখ, লেটেকু, পনিয়ল, বগৰী, আমলখি, আম, জামু[২১] আদি বিবিধ ফল-মূলৰ উল্লেখ লোক জীৱনৰ প্ৰতিফলন। এইসমূহ অসমীয়া লোকসমাজৰ বৈভৱ। এনে বৈভৱ সংৰক্ষিত হৈ থকা স্বদেশপ্ৰেমৰ ৰেঙণি বিদ্যমান।

'এটা ভাওনা বোলে কেইবাটাও বৰ সবাহৰ সমান'[২২] উল্লেখেৰে গ্ৰাম্য জীৱনত ভাওনাৰ স্থান নিৰ্ণয় কৰা কাৰ্য অত্যন্ত গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে বিনন্দ চন্দ্ৰ বৰুৱাৰ 'অতীতৰ ৰিং'ত প্ৰতিফলিত হৈছে গ্ৰাম্য সমাজত মহাপুৰুষীয়া ধৰ্মৰ অন্যতম এক পৰম্পৰা। লোকসমাজত ভাওনা পৰম্পৰাৰ প্ৰতি গভীৰ

---

১৮। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৮৩
১৯। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৬৬
২০। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৭৮৪
২১। উল্লিখিত
২২। উল্লিখিত, পৃ. ৭৮১

শ্ৰদ্ধা আৰু ভক্তিভাৱ প্ৰকট হৈছে। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱৰ অনবদ্য অৱদান ভাওনা সংস্কৃতিৰ মহত্ত্বৰ লগতে নৱবৈষ্ণৱ ধৰ্মৰ ভক্তিতত্ত্বৰ মহিমা প্ৰতিষ্ঠা কৰিছে। গুৰুজনাৰ অপূৰ্ব দানৰ মহত্ত্ব ঘোষণাৰে লগতে জাতীয় জীৱনৰ বৈভৱ উদ্ধাৰ আৰু সংৰক্ষণৰ প্ৰচেষ্টা স্বদেশপ্ৰেমৰ নিদৰ্শন। কাৰণ স্বদেশপ্ৰেমে স্বদেশৰ কৃষ্টি-সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সাঙুৰি এক সংহত আৰু ব্যাপক ৰূপক বুজায়।

ইয়াৰ উপৰিও লোকবিশ্বাসৰ উল্লেখো এইক্ষেত্ৰত উল্লেখযোগ্য। 'আমাৰ গাঁৱৰ মানুহে বোলে আহল-বহল মুকলি বাট ভাল নাপাইছিল। তেনে বহল বাট থাকিলে বোলে গাঁৱত বেমাৰ সোমাবলৈ সুবিধা হয়। অৱশ্যে আজিকালি সেই বিশ্বাস ভালকৈ আঁতৰিল।'[২৩] এনেধৰণৰ লোকবিশ্বাসৰ জৰিয়তে লোকমনৰ পৰিচয় দাঙি ধৰিছে। লোকবিশ্বাসবিলাক একোখন সমাজৰ অন্যতম প্ৰতিচ্ছবি। জাতিৰ উত্থান-পতনৰ লগত এই লোকবিশ্বাস জড়িত হৈ থাকে। বৰুৱাৰ 'অতীতৰ ৰিং' গ্ৰন্থত লোককথাৰ উল্লেখে লোকসংস্কৃতিৰ প্ৰতি গভীৰ আন্তৰিকতা ঘোষিত কৰিছে। এই কাৰ্য স্বদেশপ্ৰেমৰ নামান্তৰ।

### ৬. ১. ৫ সমসাময়িক সমাজৰ সাজ-পাৰ আৰু যাতায়ত ব্যৱস্থাৰ প্ৰতিফলন ঃ

এজন সচেতন, দায়বদ্ধশীল আৰু সূক্ষ্ম পৰ্যবেক্ষণসম্পন্ন লেখকৰ ৰচনাত যুগৰ প্ৰতিচ্ছবি প্ৰতিফলন ঘটে। 'সাহিত্য জাতিৰ দাপোনস্বৰূপ।' বিনন্দ চন্দ্ৰ বৰুৱাৰ 'অতীতৰ ৰিং'ত তাৰেই প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যায়। সামাজিক জীৱনৰ প্ৰতিচ্ছবি আৰু মান নিৰ্ণয়ত সাজ-পাৰৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। অন্যহাতে সমাজ জীৱনৰ উন্নতিৰ মাপকাঠি যাতায়ত ব্যৱস্থা। 'অতীতৰ ৰিং'ত দেখিবলৈ পোৱা দুয়োটা দিশৰ তথ্যসমৃদ্ধ উপস্থাপন স্বদেশপ্ৰেমৰ অন্যতম প্ৰকাশৰূপে নিৰ্ণয় কৰিব পাৰি। জাতীয় সাজ-পাৰ জাতীয় জীৱনৰ পৰিচায়ক। একো একোটা জাতিৰ স্বাভিমান জড়িত হৈ থাকে সেই জাতিৰ

---

২৩। অতীতৰ ৰিং, সপ্তম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৮৬২

জাতীয় সাজ-পাৰত। 'অতীতৰ ৰিং'ত অসমীয়া জাতি জাতীয় সাজ-পাৰ যেনে মহিলাৰ মেখেলা, ৰিহা, পুৰুষৰ চুৰিয়া, বনিয়ন, পিত কপোৰ[২৪] আদি উল্লেখৰ উপৰিও কিছু পৰিৱৰ্তিত ৰূপত কোট. কামিজ, চাদৰ, বুকুচোলা, খনিয়া কাপোৰ আদি পুৰুষৰ আভৰণ বস্ত্ৰৰ উল্লেখ আৰু পাটৰ-মুগাৰ বন কৰা কপোৰ, সিংখাপ, ৰ্কাছুপী, গৰিয়লী আদি চাদৰ আৰু 'জেকেট'ৰ উল্লেখ আছে।[২৫] ইয়াৰ উপৰিও কাপোৰ ৰ'দাই জপা, মঠিয়া, পেৰা[২৬] আদিত থোৱা, কাপোৰ ধুবলৈ মণিছালৰ ব্যৱহাৰ[২৭], শোবৰ বাবে মুকলি চাং আৰু চোৰ চাং[২৮]ৰ ব্যৱহাৰে দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য সামগ্ৰীৰ আভাস দাঙি ধৰা কাৰ্যত বৰুৱাৰ অতীতৰ ৰিং'ত সমসাময়িক সমাজ প্ৰতিফলিত হৈছে। এনেদৰে জাতীয় জীৱনৰ একো একোটা সম্পদৰ সংৰক্ষণে ঐতিহ্যপ্ৰীতিৰ পৰিচয় দাঙি ধৰে। অন্যহাতে ঐতিহ্যপ্ৰীতি হৈছে স্বদেশপ্ৰেম প্ৰকাশৰ বলিষ্ঠ মাধ্যম। এনেধৰণেৰে সকলো কথা 'ৰেহা লগাই'[২৯] যুগুত কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ 'অতীতৰ ৰিং' সেই সময়ৰ এক প্ৰমাণ্য সামাজিক দলিল। এই বৰ্ণনাই জাতিৰ প্ৰাণত ঐতিহ্যপ্ৰীতি জগাই সাংস্কৃতিক চেতনাৰে উদ্বুদ্ধ কৰি শ্ৰদ্ধাৱান হোৱাৰ প্ৰেৰণা যোগায়।

যাতায়তৰ ক্ষেত্ৰত খোজ কাঢ়ি অহা-যোৱা কৰাৰ উপৰিও নাঁও, ফেৰী, গৰু গাড়ী, হাতী, ঘোঁৰাগাড়ী[৩০] আদি যাতায়ত ব্যৱস্থা উল্লেখ আছে। মানুহে টানি অনা 'বাগী'[৩১]ৰ উল্লেখো পোৱা যায়। অন্যহাতে অসম বেঙ্গল ৰে'ল সেৱা, যোৰহাট ৰাজ্যিক ৰে'ল ব্যৱস্থাৰ[৩২] কথাও উল্লেখ স্বদেশপ্ৰেমৰে নিদৰ্শন। জাতীয় জীৱনৰ অতীত বৰ্ণন আৰু জাতীয় জীৱনৰ প্ৰগতিৰ ইতিহাসক স্বদেশপ্ৰেমে সাঙুৰি

২৪। অতীতৰ ৰিং, দ্বিতীয় অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৭৭৯
২৫। উল্লিখিত, পৃ. ৭৮০, ৮০৫
২৬। উল্লিখিত, পৃ. ৭৮০
২৭। উল্লিখিত
২৮। উল্লিখিত
২৯। অতীতৰ ৰিং, প্ৰথম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৭৬৪
৩০। অতীতৰ ৰিং, প্ৰথম অধ্যায়, দ্বিতীয় অধ্যায়, পঞ্চম অধ্যায়, সপ্তম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৭৬৭, ৭৭৯, ৮১৬, ৮৬১
৩১। অতীতৰ ৰিং, পঞ্চম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৮২২
৩২। অতীতৰ ৰিং, *চতুৰ্থ অধ্যায়, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ৮১৩

লয়।

### ৬.১.৬ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু চাহ-বাগিচাৰ কৰ্মী ঃ

বৃহত্তৰ অসমীয়া জাতি গঠনত অসমৰ বিভিন্ন চাহ-বাগিচাত কাম কৰা ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকাসকলৰ অৱদানক 'অতীতৰ ৰিং'ত অসমৰ বাবে এক 'আশীৰ্বাদ' বুলি মত প্ৰকাশ কৰিছে। অসমীয়া জাতি গঠনত প্ৰজাতীয় জাতীয় উপাদান বিচাৰ বৰুৱাৰ সাহিত্য 'অতীতৰ ৰিং' প্ৰতিফলিত স্বদেশপ্ৰেমৰে ৰেঙনি ৰূপে গ্ৰহণ কৰিব পাৰি, য'ত এক সুস্থ আশাবাদ দেখিবলৈ পোৱা যায়।

> . . . চাহ খেতিৰ কাৰণেও বিদেশী মানুহ আহিল যদিও তাত দেশখনৰ অস্তিত্ব ৰক্ষাৰ কাৰণে বৰ বেছিকৈ ভয় কৰিবলগীয়া নাছিল। চাহখেতিৰ কাৰণে অহাসকল ভাৰতৰ বিভিন্ন ঠাইৰ, বিভিন্ন জাতৰ, বিভিন্ন ভাষা-ভাষীৰ লোক। এইদৰে যিসকলে অসমকে নিজৰ দেশ বুলি ভাবি বসবাস কৰিবলৈ আহিছিল, তেওঁবিলাকে একেলগ হৈ দেশৰ খিলঞ্জীয়া ৰাইজৰ প্ৰতিপত্তি ধ্বংস কৰি নিজক প্ৰতিষ্ঠা কৰিবলৈ অহা নাছিল। . . . তেওঁলোকে খিলঞ্জীয়াসকলৰ প্ৰতিদ্বন্দ্বী হিচাপে, এটা শক্তিশালী বেলেগ গোট হ'বলৈ স্বভাৱিকতে বিচাৰিব নোৱাৰেও আৰু নিবিচাৰেও। . . . বাগিচাবিলাকৰপৰা এইদৰে পৰোক্ষ সহায় নোলোৱা হ'লেও অসমৰ অস্তিত্ব ৰক্ষা কৰিবলৈকো একো নাথাকিলহেঁতেন। . . . সকলো ভাবি চিন্তি চাই চাহ বাগিচাবিলাক অসমৰ আশীৰ্বাদ বুলি ভবা উচিত। [৩৩]

### ৬.১.৭ ব্যৱহৃত ভাষা আৰু 'ডাক পখিলী' শব্দ সৃষ্টি ঃ

মাতৃভাষাৰ প্ৰীতি বৰুৱাৰ সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেমৰ অন্যতম প্ৰকাশ। 'অতীতৰ

---

৩৩। অতীতৰ ৰিং, চতুৰ্থ অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮১৪

ৰিং’ গ্ৰন্থতো দেখিবলৈ পাওঁ অসমীয়া ভাষাৰ শুদ্ধ ৰূপৰ ক্ষেত্ৰত, জতুৱা ঠাঁচ, খণ্ডবাক্য, ফকৰা যোজনা আদি ব্যৱহাৰে ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ উপৰিও নতুন শব্দ সৃষ্টিৰে ভাষাক চহকী কৰাৰ উপযুক্ত প্ৰমাণে স্বদেশপ্ৰেমৰ স্বাক্ষৰ বহন কৰিছে। থামিডাঠ, ৰেহা লগাই, হেম-গেম, খোঁতা-মোজা আদি জতুৱা খণ্ড বাক্য, পোষ্টকাৰ্ডৰ সলনি ‘ডাক পখিলী’ শব্দ সৃষ্টি কৰা কাৰ্য্যই মাতৃভাষাৰ প্ৰতি বৰুৱাৰ গভীৰ অনুৰাগ ‘অতীতৰ ৰিং’ত প্ৰতিফলিত স্বদেশপ্ৰেমৰ অন্যতম এক নিদৰ্শন। সেই কথাৰ বৰ্ণনা এনেধৰণৰ —

> পাৰ্বতী (পাৰ্ৱতিপ্ৰসাদ)ৰ জ্বৰ যেতিয়া তিনি দিনত পৰিল, তেতিয়া তেওঁ মোক ওচৰলৈ মাতি আনি তেওঁৰ অলপ সামান্য জ্বৰ হৈছে বুলি সাধাৰণভাৱে পোষ্ট কাৰ্ড এটাত তেওঁবিলাকৰ ঘৰলৈ চিঠি এখন লিখিবলৈ ক’লে। মই বাৰু লিখিম, কাৰ্ড এটা আনোগৈ এইদৰে কওঁতেই তেওঁ ঘপকৰে ক’লে, কাৰ্ড নানিবা, অসমীয়া নামত কিবা এটা আনিবা. . .। তেওঁৰ কথা মতে মই আৰ্মহাষ্ট ষ্ট্ৰিট ডাকঘৰলৈ গ’লোঁ। কাৰ্ড লৈ ঘুৰি আহোতে তেওঁ কাৰ্ডৰ কিবা অসমীয়া নাম এট দি নিবলৈ কৈছিল। মই ভাবি ভাবি গৈ আছো, কি নামটো ক’ম। ঘুৰি গৈ ঘৰত সোমাব খোজোতে, দুৱাৰমুখতে হালধীয়া পখিলা এটা উৰি ফুৰা দেখি মনতে খেলালে কাৰ্ডৰ নাম ‘ডাক পখিলী’ দিলেই ভাল হ’ব। . . . ঠিক আনিলা দেউ, আজিৰপৰা পোষ্ট কাৰ্ড নুবুলিবা ‘ডাক পখিলী’ বুলিবা। . . .। পিছদিনা শৰ্মা (মহাদেৱ শৰ্মা)ই কমলাকান্ত ভট্টাচাৰ্যই কলিকতাৰ পৰা প্ৰকাশ কৰা আলোচনীখনত ‘ডাক পখিলী’ বুলি কিবা এটা লিখিলেই।[৩৪]

ইয়াৰ উপৰিও সেই সময়ৰ শিক্ষা ব্যৱস্থা প্ৰধানকৈ প্ৰাথমিক শিক্ষা ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আগ্ৰহ, মানুহৰ মানসিকতা, স্কুলৰ সংখ্যা ইত্যাদি জন্মভূমিৰ অনেক গুৰুত্বপূৰ্ণ তথ্যৰ ভঁৰাল ‘অতীতৰ ৰিং।’ সচেতন আৰু দায়বদ্ধশীল সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাৰ ‘অতীতৰ ৰিং’ত স্বদেশ আৰু স্বজাতিৰ প্ৰতি আকুণ্ঠ ভালপোৱা প্ৰকাশ ঘটিছে।

৩৪। অতীতৰ ৰিং, অষ্টম অধ্যায়, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৭১

## ৬.২ ‘বৰ নামঘৰৰ মাহাত্ম্য’ আৰু প্ৰকাশিত স্বদেশপ্ৰেম ঃ

মধ্যযুগৰ এক জটিল পৰিস্থিতিত খ্ৰীষ্টিয় পোন্ধৰ-যোল্ল শতিকাত শ্ৰীমন্ত শংকৰদেৱে অসমত কৃষ্ণকেন্দ্ৰিক নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ জৰিয়তে অসমীয়া সমাজ জীৱনক আধ্যাত্মিকতাৰ পোহৰত উৎকৰ্ষ সাধনৰ মাৰ্গ দৰ্শনেৰে ভক্তিধৰ্মত প্ৰবৃত্ত কৰোৱাইছিল। শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ প্ৰিয়তম শিষ্য মাধৱদেৱ দুয়োজনাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে এই ধৰ্মৰ সোঁত বোঁৱাই দিছিল। অসমীয়া সমাজ জীৱনক একত্ৰিত কৰি ‘কৃষ্ণ’ভক্তিত ৰত কৰোৱাইছিল। এই ধৰ্ম আছিল উদাৰ আৰু মানৱতাবাদী। ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰিছিল ‘নামঘৰ’, ‘সত্ৰ’ আৰু ‘থান’ আদিৰ। ‘নামঘৰ’ক কেন্দ্ৰ কৰি চৰ্চা হৈছিল কৃষ্ণকেন্দ্ৰিক সংস্কৃতিৰ। জাতীয় জীৱনৰ মহৎ অনুষ্ঠানৰূপে পৰিগণিত নামঘৰ হ’ল জাতীয় সংস্কৃতিৰ মাজেদি প্ৰকট হ’ব পৰা আধ্যাত্মিক সাধনাৰ থলি। সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱন দান কৰা দুয়োজনা গুৰুৰ গুণানুকীৰ্তন আৰু কৃষ্ণ ভক্তিৰ মহিমা প্ৰকাশেৰে ৰচিত অনেক পদ-পুথিৰে অসমীয়া ধৰ্মীয় সাহিত্যৰ ভঁৰাল চহকী। তেনে এক পদ-পুথি হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ ‘বৰ নামঘৰৰ মাহাত্ম্য’।

শংকৰ চৰিত্ৰ কথা নানা ছন্দে আছা গঁথা,
বিৰচিলা ভকতসকলে,
আমি অতি হীনমতি নকৰি পুনৰউক্তি
সংক্ষেপে কহিলোঁ কথা ছলে।[৩৫]

‘বৰ নামঘৰৰ মাহাত্ম্য’ বিনন্দ চন্দ্ৰ বৰুৱাৰ উচ্চস্তৰীয় আধ্যাত্মিক ভাব প্ৰকাশক সাহিত্য। বৰুৱাৰ

৩৫। ‘বৰনামঘৰৰ মাহাত্ম্য’, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী*, সম্পা. সুনীল পৱন বৰুৱা, পৃ. ৮৮১

বৰ নামঘৰৰ মাহাত্ম্য পুথিখনিৰ ৰচনা কাল হৈছে কুৰি শতিকাৰ সপ্তম দশক। চন হিচাপে ১৯৭৩[৩৬] চন। বৰুৱাই 'বিশিষ্টানন্দ' ছদ্মনামেৰে এই পুথি ৰচনা কৰিছিল। সম্পূৰ্ণ বৈষ্ণৱ বিনয়েৰে পুথিখনিত সেই কথাৰ উল্লেখ আছে এনেদৰে —

বাওনা হইয়া চন্দ্ৰ ধৰিবাক চাও,
পঙ্গু হৈয়া পৰ্বতক লঙ্ঘিবাৰে যাও,
ইহেন আমাৰ মতি জানি সুধিজন,
বঢ়াটুটা সৰ্ব যেন কৰে মৰিষণ।
নামত বিশিষ্টানন্দ মূঢ় অল্পমতি,
দ্বিজ কুলে জাত কিন্তু নাহিকে সঙ্গতি; [৩৭]

বিনন্দ চন্দ্ৰ বৰুৱাৰ 'বৰ নামঘৰৰ মাহাত্ম্য' ৰচনাত প্ৰকাশিত স্বদেশপ্ৰেমৰ নিদৰ্শন তলত উল্লেখ কৰা ধৰণেৰে বিচাৰ কৰা হ'ল—

### ৬.২.১ শ্ৰীমন্ত শংকৰদেৰ আৰু মাধৱদেৱৰ গুণানুকীৰ্তন ঃ

বিনন্দ চন্দ্ৰ বৰুৱাৰ বৈষ্ণৱ পদাৱলীৰ আৰ্হিত ৰচিত 'বৰ নামঘৰৰ মাহাত্ম্য' বৈষ্ণৱ ভক্তি সাহিত্যৰ অনুপম প্ৰকাশ। অসমত জাতি-ধৰ্ম-ভাষা-সাহিত্য-সংস্কৃতি প্ৰদানেৰে অসমীয়া জাতিটোক নতুন জীৱন দান দিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ প্ৰিয়তম শিষ্য মাধৱদেৱে। বৰুৱাৰ এই ৰচনাত দুয়োজনা গুৰুৰ প্ৰতি পৰম শ্ৰদ্ধা আৰু ভক্তিভাৱ উথলি উঠিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক বিষ্ণুৰ

৩৬। সুনীল পৱন বৰুৱা (সং.), *বৰ নামঘৰৰ মাহাত্ম্য, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* (সম্পা.) সুনীল পৱন বৰুৱা, পৃ. ৮৭৭
৩৭। বৰ নামঘৰৰ মাহাত্ম্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* (সম্পা.) সুনীল পৱন বৰুৱা, পৃ. ৮৮০

অংশ, অৱতাৰী পুৰুষ ৰূপে বৰ্ণনা কৰিছে —

শংকৰ স্বৰূপে হৰি নিজ অংশ অৱতৰি
পূৰ্ব্ব দিশে জনম লভিলা,
পূৰ্ব্বকাশে যেন ভানু উদয় হইয়া পুনু
ধৰ্ম জ্যোতি বিকাশ কৰিলা।[৩৮]

শংকৰদেৱৰ জ্ঞান, পাণ্ডিত্য, ত্যাগ আৰু মহৎ অৱদানক মধুৰ লীলা, সজ্জনৰ তৰণ উপায় বুলিছে। ভকতৰ মনস্তাপ দূৰ কৰোঁতা, নাম ধৰ্মৰ মাহাত্ম্য প্ৰচাৰক[৩৯] শংকৰদেৱৰ চৰিত্ৰৰ গুণানুকীৰ্তনেৰে বৰ নামঘৰৰ মাহাত্ম্যত মহৎ ঐতিহ্যৰ প্ৰতি প্ৰকাশিত শ্ৰদ্ধা স্বদেশপ্ৰেমৰ উজ্জ্বল দৃষ্টান্ত।

সেহিসে শংকৰ ৰবি কলিৰ কলুষ নাশি, (মূলত ৰুলিৰ)
প্ৰচাৰ কৰিলা হৰি নাম,
শিশু লীলা সাঙ কৰি নানা শাস্ত্ৰে জ্ঞান লভি
সৰ্ব্ব শাস্ত্ৰে ভৈলা সুপণ্ডিত,
যোগাভ্যাস আৰম্ভিলা সৰ্ব্বতীৰ্থ পৰ্যটিলা
নাম ধৰ্ম কৰিলা বিদিত।। [৪০]

---

৩৮। বৰ নামঘৰৰ মাহাত্ম্য, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী, (সম্পা.) সুনীল পৱন বৰুৱা, পৃ. ৮৮১

৩৯। মধুৰ শংকৰ লীলা মৰতত প্ৰকাশিলা,
সজ্জনৰ তৰণ উপায়,
কলিৰ যতেক পাপ ভকতৰ মনস্তাপ
নাম সিংহ দেখিয়া পলায়। — উল্লিখিত

৪০। উল্লিখিত

অন্যহাতে শংকৰদেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱৰ মহৎ অৱদানৰ স্বাক্ষৰ হ'ল 'বৰ নামঘৰৰ মাহাত্ম্য' ৰচনাৰ আধাৰবস্তু। শ্ৰীমন্ত শংকৰদেৱক জাতিটোৰ 'পৰম আচাৰ্য[৪১] সম্বোধন আৰু মাধৱদেৱক 'পুৰুষ শ্ৰেষ্ঠ'[৪২]ৰ সন্মান প্ৰদৰ্শনেৰে গুৰু ভক্তিৰ অমিয়া মাধুৰীৰে স্বদেশপ্ৰেম প্ৰকাশত সোণত সুৰগা চৰাইছে। পুথিখনিত মাধৱদেৱ স্মৰণ এনে ধৰণৰ —

গুৰুৰ সুহৃদ শিষ্য বৈষ্ণৱ প্ৰধান,
সৰ্ব শাস্ত্ৰ বিশাৰদ পণ্ডিত মহান।[৪৩]

নাম ধৰ্ম বিস্তাৰৰ জৰিয়তে অসমীয়া জাতিক সৰ্বতোপ্ৰকাৰে উদ্ধাৰ কৰা শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অৱদানক জনমানসত পুনঃ প্ৰতিষ্ঠা কৰা এই সাহিত্য স্বদেশপ্ৰেমৰ প্ৰতিভূ।

শংকৰ সূৰ্যক বেৰি        অনেক ভকত আসি,
নাম ধৰ্মে লইল শৰণ;
ৰচিল অনেক পুথি        যত পূৰ্ব শাস্ত্ৰ মথি,
পদ ছন্দে কৰিয়া বৰ্ণন।[৪৪]

### ৬.২.২ ঢেকিয়াখোৱা বৰ নামঘৰৰ প্ৰতিষ্ঠা আৰু মহিমা বৰ্ণনা ঃ

অসমীয়া মানুহক সন্মিলীত আৰু সু-সংগঠিত হোৱাৰ বুনিয়াদ ৰচনা কৰা শ্ৰীমন্ত শংকৰদেৱ

৪১।বৰ নামঘৰৰ মাহাত্ম্য, বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী, (সম্পা.) সুনীল পৱন বৰুৱা, পৃ. ৮৮২
৪২।উল্লিখিত
৪৩।উল্লিখিত, পৃ. ৮৮
৪৪।'বৰনামঘৰৰ মাহাত্ম্য' — *ৰচনাৱলী*, পৃ. ৮৮১

আৰু মাধৱদেৱৰ অপূৰ্ব সৃষ্টি অসমৰ 'নামঘৰ' সংস্কৃতি। অসমীয়াৰ জনমানসত 'নামঘৰ'ৰ মহত্ব মাধৱদেৱ ৰচিত 'নামঘোষা'ত বৰ্ণিত আছে এনেদৰে —

একান্ত ভকতসৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠক পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত।[৪৫]

অসমীয়াৰ মহান সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ আধাৰস্বৰূপ 'নামঘৰ'ৰ মহিমা বৰ নামঘৰৰ মাহাত্ম্যত উল্লেখ আছে এনেদৰে —

ৰাজ্যৰ জীৱন দেৱগৃহ নামঘৰ,
যাৰ অবিহনে পথ ভ্ৰষ্ট হৈবে নৰ;
শ্ৰীমন্ত শংকৰে থাপি দিলা নিৰন্তৰ,
গ্ৰামে গ্ৰামে বিদ্যমান মহিমা বিস্তাৰ।[৪৬]

তেনে এক নামঘৰ হৈছে অসমীয়াৰ ধৰ্মীয় জীৱনৰ হৃদপিণ্ডস্বৰূপ মাধৱদেৱ প্ৰতিষ্ঠিত 'ঢেকীয়াখোৱা বৰ নামঘৰ'। ১৪৫০ শক (১৫২৮ খ্ৰীষ্টাব্দ)[৪৭] ত প্ৰতিষ্ঠিত এই বৰনামঘৰৰ মহিমা আৰু প্ৰতিষ্ঠাৰ কাহিনী বৰ্ণনা আছে 'বৰ নামঘৰৰ মাহাত্ম্য'ত। ইয়াৰ জৰিয়তে আধ্যাত্মিকতা বিয়পাই জাতিক

৪৫। কৰবী ডেকা হাজৰিকা (সম্পা.), *মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱে বিৰচিত কীৰ্তন-ঘোষা আৰু নাম-ঘোষা,* উপদেশ, পদ ।।৪।। পৃ. ৬৭৬
৪৬। বৰ নামঘৰৰ মাহাত্ম্য, *বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী,* (সম্পা.) সুনীল পৱন বৰুৱা, পৃ. ৮৮০
৪৭। পুলিন কলিতা, নামঘৰ বুৰঞ্জী আৰু বিৱৰণ, পৃ. ১৬৮

পৰিশোধনৰ মন্ত্ৰেৰে উৎকৰ্ষ সাধনৰ পথ প্ৰশস্ত কৰি তুলিছে। মহৎ আদৰ্শ স্থাপন কৰি দেশৰ মানৱৰ মুক্তি কামনা কৰা এই সাহিত্যই স্বদেশপ্ৰেমৰ স্বৰূপ দাঙি ধৰিছে। পুথিখনিত ধুৱাহাট বেলগুৰিত 'মণিকাঞ্চন সংযোগ'ৰ জৰিয়তে গুৰু দুজনাৰ ভক্তিধৰ্ম বিস্তাৰ, শ্ৰীমন্ত শংকৰদেৰৰ ধুৱাহাট ত্যাগ, পৰিক্ৰমাক্ৰমে ৰাজৰোষত পৰি হৰি জোঁৱাইৰ মৃত্যুদণ্ড আৰু মাধৱদেৱৰ মুক্তি, উভতনিৰ যাত্ৰা পথত মাধৱদেৱৰ বৰ নামঘৰ স্থাপন, গুৰুৰ প্ৰতি ভক্তি প্ৰদৰ্শন আৰু হৰিভক্তিৰ মহিমা প্ৰকাশ পাইছে।

মাধৱে বোলা শুনা উক্ত সমবেত,
বন্তি একগছি থাপো গুৰুৰ নামত।
সবে যদি বন্তি গছি কৰয় পালন,
শঙ্কৰ গুৰুৰ হৈবে সন্তোষ কাৰণ।[৪৮]

.

গুৰু সন্তোষ্টি আৰু আদৰ্শ স্থাপনৰ আৰ্হি বহন কৰা এই কাৰ্যই এহাতে যিদৰে গুৰু ভক্তিৰ মাহাত্ম্য বৰ্ণনা কৰিছে ঠিক তেনেদৰে গাঁৱে গাঁৱে নামঘৰ স্থাপন কৰি গঞাক নৱ জীৱন প্ৰদান কৰা কাৰ্যৰ বৰ্ণনা এনেধৰণৰ —

যথা স্থানে বন্তি আনি স্থাপন কৰিল।
নাম ধৰ্ম মাহাত্ম্যক কহিল বিৰৰি,
কৰিলেক সেৱা সবে হৰিধ্বনি কৰি।
গ্ৰামখানে পালে যেন নতুন জীৱন।[৪৯]

৪৮। উল্লিখিত, পৃ. ৮৮৯
৪৯। উল্লিখিত, পৃ. ৮৮৯

প্ৰথমে বুঢ়া নামঘৰ, নামঘৰ, বৰ নামঘৰৰূপে জনাজাত এই নামঘৰ ‘ঢেকীয়াখোৱা বৰ নামঘৰ’ৰূপে অধিক খ্যাত হোৱাৰ কাহিনীভাগৰ বৰ্ণনা আছে —

নাহৰৰ সাঁকো এক থানত আছিল,
সিহেতু তাহাৰ নাম সাঁকো থান দিল।
ইহাত মিলিল ভক্তি, সাঁকোৰ প্ৰকাৰ,
বিপদ-বিঘিনি যত হৈবে পাৰ।
কেশ কাটি সিধাৰ কৰিলে দিহা বুঢ়ী,
দিহাজান সেই হেতু কৰিল সদৰি।
অমৃত সমান খাই ঢেকীয়া ব্যঞ্জন,
তৃপ্তিলাভ কৰিলোহো আমি তিনিজন;
সিহেতু ঢেকীয়াখোৱা নাম হৈল গ্ৰাম,
জানিয়া ভকত সবে কৰয় প্ৰণাম।[৫০]

‘মাহাত্ম্যতো বৰ ভৈল ৰাজ্যৰ ভিতৰ’[৫১] এই নামঘৰ ৰাজ্যৰ এক বিশিষ্ট তীৰ্থ আৰু সকলোৰে সেৱাৰ থলী ৰূপে জিলিকি আছে। এই বৰনামঘৰত ব্যক্তিৰ সুখ-দুখ, যন্ত্ৰণা সকলোবোৰৰ পৰা পৰিত্ৰাণ বিচাৰি আৰু মঙ্গল কামনা কৰি সিদ্ধিৰ উপায় বিচাৰি শত শত জনে মূৰ দোঁৱাই আহিছে —

বিপদ-আপাই অমঙ্গল ভয় যত
কামনা বাসনা পূৰ্ণ কৰিবাৰে কত।

৫০। উল্লিখিত, পৃ. ৮৯০
৫১। উল্লিখিত, পৃ. ৮৭৯

শৰাই সঁফুৰা দন্ত অৰ্চ্চনি সহিত,

শত শত জনে সেৱা কৰয় সতত।[৫২]

পুথিখনিত গুৰু ভক্তিৰ নিদৰ্শন আৰু বৰনামঘৰত মুখৰিত হৈ থকা হৰি নামৰ ধ্বনি যেন গুৰু ভক্তিৰ শ্ৰদ্ধাৰ্ঘ্য।

যেন তেন প্ৰকাৰে হওক হৰি নাম,

গুৰু বাক্য বুলি আছে ইহাৰ প্ৰমাণ।

ৰাজ্যৰ বিশিষ্ট তীৰ্থ বৰনামঘৰ,

তাৰ জয়ধ্বনি হৰি নাম নিৰন্তৰ।[৫৩]

বৈষ্ণৱ ধৰ্মৰ মহিমা প্ৰচাৰ কৰা ‘বৰ নামঘৰৰ মাহাত্ম্য’ বিৱৰণে জাতীয় জীৱনৰ পৰম ঐতিহ্যৰ সন্ধান আৰু পৰম সত্যক প্ৰতিষ্ঠা কৰা কাৰ্য স্বদেশপ্ৰেমৰ নিদৰ্শন।

### ৬.২.৩ কৃষ্ণ ভক্তিৰ মহিমা প্ৰকাশ ঃ

বৰ নামঘৰৰ মহিমা প্ৰকাশৰ উপৰিও ‘নমো অৱতাৰ কাৰণ নাৰায়ণ’ বুলি বৈষ্ণৱ শিৰোমণি ‘কৃষ্ণ’ ভক্তিৰ মহিমা প্ৰকাশ কৰিছে। গুণৰ অতীত হৈয়ো গুণৰ আধাৰ, নিৰাকাৰ হৈয়ো কাৰ্য কাৰণে সাকাৰ, পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ অপাৰ মহিমা বৰ্ণনাৰে আৰম্ভ হোৱা ‘বৰ নামঘৰৰ মাহাত্ম্য’ত কৃষ্ণ ভক্তিৰ মহত্ব আৰু ভক্ত - ভগৱানৰ সম্বন্ধ ব্যক্ত কৰিছে —

৫২। উল্লিখিত, পৃ. ৮৯১
৫৩। উল্লিখিত, পৃ. ৮৯১

ভক্তি ভাবে হৰি নাম লৱয় যথাত,
কামনা বাসনা আৰু নাথাকে মনত;
যোগীৰ হৃদয় চাৰি বৈকুণ্ঠকো এৰি
থাকে তথা ভক্তৰ অধীন শ্ৰীহৰি।[৫৪]

পুথিখনিত কৃষ্ণ ভক্তিৰ মাহাত্ম্য বৰ্ণনা আছে এনেদৰে —

পূৰ্ণ অৱতাৰ কৃষ্ণ দৈৱকী নন্দন,
ভক্তিভাৱে কৰে যেহি পদৰ বন্দন।
এক মনে যেই ৰূপে যিজন পূজয়,
তাৰ প্ৰতি হোৱা তুমি সতত সদয়।[৫৫]

কৃষ্ণ ভক্তিত নাম ধৰ্মৰ মাহাত্ম্য অনেক। কলিত হৰিনামেই সাৰ। নামৰূপী সিংহৰ আগত যেন সকলো পাপ দূৰতে পলায়। ভগৱান কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্তনৰ মাহাত্ম্য প্ৰকাশ আছে এনেদৰে —

কলিৰ যতেক পাপ ভকতৰ মনস্তাপ
নাম সিংহ দেখিয়া পলায়।[৫৬]

পুথিখনিৰ শেষত “হে নমো নাৰায়ণ জয় নিত্য নিৰঞ্জন/ জয় সৃষ্টি স্থিতিৰ কাৰণ” নামঘোষাৰ আৰ্হিৰ কাকূতি ঘোষাত বৈষ্ণৱ ধৰ্মৰ পৰম ভক্তৰ আত্মনিৱেদনৰ সুৰ শুনিবলৈ পোৱা যায় —

৫৪। উল্লিখিত, পৃ. ৮৭৯
৫৫। উল্লিখিত
৫৬। উল্লিখিত, পৃ. ৮৮১

পৰম কৃপালু হৰি অধৰ্মক ৰক্ষা কৰি
দিয়োক ভকতি ৰস সাৰ।
তযু নাম নাৰায়ণ সৰ্ব পাপ বিনাশন
ভক্তি ৰস অমৃত আধাৰ।[৫৭]

এনেদৰেই মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি 'বৰ নামঘৰৰ মাহাত্ম্য'ত প্ৰকাশিত নিষ্ঠা, শ্ৰদ্ধা, ভক্তি আৰু আকণ্ঠ প্ৰেমভাৰ, শংকৰ প্ৰশস্তি আৰু মাধৱ প্ৰশস্তিয়ে অসমীয়া জাতিৰ হৃদস্পন্দনস্বৰূপ নৱবৈষ্ণৱ ধৰ্মৰ গুণ-গান, শ্ৰেষ্ঠত্ব প্ৰতিপাদন কাৰ্য স্বদেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন।

৫৭। পূৰ্বোল্লিখিত, পৃ. ৮৯১